2001–02

# টিহু মহাবিদ্যালয় আলোচনী

33



2001-2002

সম্পাদক
দিগন্ত কুমাৰ কলিতা

# টিহু মহাবিদ্যালয় আলোচনী

## বছৰেকীয়া প্ৰকাশ

আন্তৰিক শ্ৰদ্ধাৰে-

শ্ৰীযুত / শ্ৰীযুতা ..............................................................................................

.................................................................................................................লৈ

— সম্পাদক

২০০১-২০০২ ইং চন

সম্পাদকঃ দিগন্ত কুমাৰ কলিতা

## সম্পাদনা সমিতি:-

সভাপতি ঃ শ্ৰীযুত লোহিত তালুকদাৰ (অধ্যক্ষ)
তত্বাৱধায়ক ঃ ড° জ্যোতিষ ভাগৱতী (অধ্যাপক)

সম্পাদক ঃ দিগন্ত কুমাৰ কলিতা

শিক্ষক সদস্য / সদস্যা ঃ
শ্ৰীযুত পুলিন চন্দ্ৰ দাস
শ্ৰীযুত ৰমা ভূঞা
শ্ৰীযুত গৌতম গোস্বামী
শ্ৰীযুত মঞ্জু ডেকা
শ্ৰীযুত হেমেন ৰাজবংশী

ছাত্ৰ সদস্য/সদস্যা ঃ
শ্ৰীকংকন কলিতা
শ্ৰীজয়ন্ত ঠাকুৰীয়া
শ্ৰীমৃন্ময় দাস
শ্ৰীমিনতি মেধি

বেটুপাতৰ শিল্পী ঃ শ্ৰীগণেশ শৰ্মা
উদ্ধৃতি সংগ্ৰহ ঃ সম্পাদক

ডি.টি.পি. ঃ মালতী কলিতা
অনুপম কলিতা
কম্পিউটাৰ ৰেখাঙ্কণঃ প্ৰনৱ, হেমাঙ্গ, নৱ

মুদ্ৰণ ঃ মাইক্ৰ'ছফ্‌ট কম্পিউটাৰ এডুকেশ্যন, টিহু

## শ্ৰদ্ধাৰ্ঘ



শ্ৰীযুত ভুধৰ দাস
অৱসৰ প্ৰাপ্ত অধ্যাপক

মাননীয় শ্ৰীযুত ভুধৰ দাস ছাৰদেৱে টিহু মহাবিদ্যালয়ত "শিক্ষা বিভাগ"ৰ অধ্যাপক হিচাপে ১৯৬৭ ইং চনৰ ২৮ জুলাইত চাকৰিত যোগদান কৰি ২০০২ ইং চনৰ ৩১ মাৰ্চত তেখেতে অৱসৰ গ্ৰহণ কৰে। শিক্ষাদানৰ সময়ত তেখেতে আমাক দি যোৱা মৰম, স্নেহ আৰু সৎ আদৰ্শৰ বাবে আমি তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ। আমি তেখেতৰ দীৰ্ঘায়ু কামনা কৰিছোঁ, লগতে আশা ৰাখিছোঁ অৱসৰৰ সময়তো আমি তেখেতৰ পৰা পাম তেখেতৰ সৃজনীমুলক দিহা পৰামৰ্শ।


- সম্পাদক

## ঃ কৃতজ্ঞতা স্বীকাৰ ঃ

সম্পাদনা সমিতিৰ অধ্যক্ষ লোহিত তালুকদাৰ ছাৰদেৱ, মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিৰণ্ময় ৰায় চৌধুৰী চাৰ, তত্বাৱধায়ক ড° জ্যোতিষ ভাগৱতী ছাৰ, বিশিষ্ট সাহিত্যিক শশী শৰ্মা দেৱ (নলবাৰী), সম্পাদনা সমিতি, গ্ৰন্থাগাৰিক, শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকল। লগতে মাইক্ৰ'ছফ্‌ট কম্পিউটাৰ এডুকেশ্যনৰ স্বত্বাধিকাৰী শ্ৰীযুত গৌতম ঠাকুৰীয়াৰ লগতে দিপিকা দাস তথা সমুহ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

- সম্পাদক

# শ্ৰদ্ধাঞ্জলি



ৰমনী কান্ত তালুকদাৰ
জন্ম- ১৯৫৬ইং চন
মৃত্যু- ২০০২ইং চন



দ্বিপেন কলিতা
জন্ম- ১৭ডিচেম্বৰ, ১৯৮২
মৃত্যু- ১৩ জুলাই, ২০০২




পূৰবী দেৱী
জন্ম- ১৯৮৪ ইং চন
মৃত্যু- ২০০২ ইং চন

যি সকল মহান ব্যক্তিয়ে হাতে-কামে-কলমে স্বদেশৰ স্বাৰ্থত নিজকে হেলাৰঙে উৎসৰ্গা কৰি গ'ল সেইসকল জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদলৈ যাচিছোঁ বিনম্ৰ শ্ৰদ্ধাঞ্জলি। লগতে সমগ্ৰ টিহু মহাবিদ্যালয় পৰিয়ালক কন্দুৱাই কালৰ আহ্বানত আমাৰ মাজৰ পৰা অকালতে গুচি যোৱা মাননীয় অধ্যাপক ৰমনী কান্ত তালুকদাৰ ছাত্ৰ, দ্বিপেন কলিতা আৰু ছাত্ৰী পূৰবী দেৱীৰ বিদেহী আত্মাৰ সদ্গতি কামনা কৰি শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰিলোঁ।

সম্পাদক

# PRINCIPAL'S COLUMN:



Political interference in the management of higher education in Assam is of recent origin. It made its unhealthy presence felt in the early eighties. I can speak from my personal experience that in the earlier decades of Independent India up to the eighties politicians as well as social activists came forward to serve the high ideals and not to vitiate the environment of higher education. They did not impose their will contrary to the established principles governing the life of an academy. Even in the case of Secondary and Elementary Education they maintained he same principled stand. The Managing Committees of Secondary Education to serve the interest of the society as a whole and education in particular appointed meritorious and efficient teachers in the schools, whose dedication and virtuous services resulted in raising the quality of school education to new summits. The Deficit grants-in-aids colleges in Assam were managed by Governing Bodies whose members were vigilant in promoting and protecting the good name of the institutions. The members always tried to maintain the standard and dignity of these colleges. All of them, of course, were not highly quali-

fied but they always dazzaled by the quality of their vision and by the drive of their mission for higher education. They tried to keep the sanctity of the centres of learning which they dreamed to transform through their virtuous labours into centres of excellence.

But those good days are gone. In the changing social and political scenerio of the state, one only witnesses helplessly the uncalled for interference of politics in higher education. The Managing committees are being formed with the favoured members of political parties in power. These people have no interest in the growth and development of the institution, their only ambition is to fulfil vested interest through their political allegiance to certain leaders in power. Some members have neither any ideas about academics or any vision for collegiate education. Some have their misdirected enthusiasms in treating college education as an idiosyncratic experimentation of some school level teaching and learning. Some are even remarkable in confidently pronouncing the word (Governing Body) G.B. as J.B. This rude confidence in malapropism cannot reach a more astonishing height. Any honoured member of the G.B. should occupy a position by virtue of his merit and efficiency and not by his virtuosity as a blind supporter of (any) ruling party. Most of these members are found to be sycophants of political leaders, who see centres of learning as the centres of earning. The interests of the institution are being sacrificed with no slight compunction. This is the fate of the management of college education in Assam at present. Well, this may not be true to some fortunate colleges, but it has been a daily reality in most of the colleges for last 20 years. My humble appeal to all concerned with higher education is to look perceptively into the problem and find ways and means to depoliticise education management and institutions.

LOHIT TALUKDAR
Principal
Tihu College, Tihu.

# তত্ত্বাৱধায়কৰ কলম

এয়া এক অভূতপূৰ্ব কথা। যোৱা প্ৰায় ডেৰ দশক ধৰি এই টিহু মহাবিদ্যালয় আলোচনীখনৰ প্ৰায় প্ৰতিটো সংখ্যাৰ প্ৰকাশনৰ ক্ষেত্ৰত তত্ত্বাৱধায়ক অথবা সম্পাদনা সমিতিৰ সদস্য হিচাপে জড়িত আছিলো বাবেই নিশ্চিতভাৱে জানো যে 'তত্ত্বৱধায়কৰ কলম' বুলি শিতান এটা আলোচনীখনত নাছিল। অৱশ্যে আগতে নাছিল বুলিয়েই যে ভৱিষ্যতেও থাকিব নোৱাৰিব তেনে কথা ক'বলৈ আমি অন্ধ পৰম্পৰাবাদী নহওঁ। সেয়েহে সম্পাদকৰ বাৰম্বাৰ দাবীৰ প্ৰতি সঁহাৰি জনাই শিতানটো মুকলি কৰিবলৈ আলোচনীখনৰ এটা পৃষ্ঠা আমি খৰচ কৰিবলৈ বাধ্য হ'লোঁ। শিতানটোৰ নায্যতা, প্ৰয়োজনীয়তা তথা গুৰুত্ব প্ৰতিপন্ন কৰিবৰ প্ৰয়োজন হ'লে সেই দায়িত্ব সম্পাদকে পালন কৰিব বুলি আমি আশা কৰোঁ।

মহাবিদ্যালয়ৰ আলোচনীখন মহাবিদ্যালয়খনৰ দাপোন। সেয়েহে তত্ত্বাৱধায়ক হিচাপে আলোচনীখনৰ লগত জড়িত হোৱা কথাটো এহাতে যেনেকৈ গৌৰৱৰ বিষয় আনহাতে দায়িত্বৰ গধুৰতাৰ বাবে সি তেনেকৈ শংকাৰো বিষয়। ব্যক্তিগতভাৱে আমি গৌৰৱবোধৰ বিপৰীতে শংকাবোধৰ দ্বাৰাহে পীড়িত। কাৰণ সম্পাদক গৰাকী ছাত্ৰ আৰু প্ৰতি বছৰে একোজন নতুন ছাত্ৰই সম্পাদকৰ দায়িত্ব লয়। গতিকে সম্পাদকৰ অভিজ্ঞতাৰ নাটনিখিনি তত্ত্বাৱধায়কে পূৰাই দিব লগীয়া হয়। অথচ কথাটো বহু পৰিমাণে তত্ত্বাৱধায়কৰ নিজৰ অভিজ্ঞতাৰ গভীৰতা আৰু সম্পাদকৰ গ্ৰহণশীলতাৰ ওপৰত নিৰ্ভৰশীল।

আলোচনীখনক মহাবিদ্যালয় পৰিয়ালৰ সকলোৱে মৰ্য্যদাৰ সূচকৰূপে গণ্য কৰাটোৱেই বাঞ্ছিত। মহাবিদ্যালয় পৰিয়ালটিৰ চিন্তা-চেতনাৰ মান ইয়াৰ জৰিয়তে প্ৰকাশ হয়। গতিকে উন্নত মানৰ আলোচনী এখন কেৱল সম্পাদক বা তত্ত্বাৱধায়কৰেই গৌৰৱৰ বিষয় নহয়, সমস্ত অনুষ্ঠানটিৰে গৌৰৱৰ বিষয়। বহুজনৰ বৌদ্ধিক অৱিহণাৰেহে মহাবিদ্যালয়ৰ আলোচনী এখনে উন্নত মান লাভ কৰাটো সম্ভৱ। আলোচনীখনৰ জৰিয়তে আমি আশা কৰোঁ- সাহিত্য চৰ্চা, ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বিলাসৰ পৰিবৰ্তে সাধনা হওঁক। আলোচনীখন ছাত্ৰ - ছাত্ৰীৰ বাবে কেৱল আনন্দৰ নহয়, প্ৰেৰণাৰো উৎস হৈ উঠক। যিসকলৰ লেখা বিভিন্ন কাৰণত আলোচনীখনত প্ৰকাশ কৰিব পৰা নগ'ল সেই সকলক হতাশ নহ'বলৈ আমি আহ্বান জনাওঁ।

তত্ত্বাৱধায়কৰ দায়িত্ব সম্পৰ্কে আমাৰ এষাৰ অৱশ্য বক্তব্য- এই দায়িত্ব শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মাজত আৱৰ্তন ক্ৰমে অৰ্পিত হ'ব লাগে।

আলোচনীখন সময়মতে প্ৰকাশ কৰিব নোৱাৰাৰ কাৰণ সম্পাদকেই কোৱা উচিত। শিতান নিৰ্ধাৰণ, বিষয় বাচনি সম্পাদনাৰ নীতি-আদি সকলোবোৰ সম্পাদনা সমিতিৰ সমূহীয়া সিদ্ধান্ত মৰ্মে কৰা হৈছে। আৰ্থিক কাঠিন্য, মানদণ্ড বিশিষ্ট ৰচনাৰ অভাৱ আৰু সকলোবোৰ ৰচনা সময়মতে নোপোৱা আদি বিভিন্ন অসুবিধাই আগচি নধৰা হ'লে আলোচনীখন আয়তনত কিছু ডাঙৰ আৰু মনোগ্ৰাহী নিশ্চয় কৰিব পৰা গ'লহেঁতেন। প্ৰকাশিত আলোচনীখনৰ বিভিন্ন দিশৰ ত্ৰুটি সম্পৰ্কে পাঠক- পাঠিকাৰ পৰা জানিবলৈ আমি আগ্ৰহী হৈ থাকিম আৰু সেয়েহে আমি সমালোচনাকাতৰ নহওঁ। কিন্তু আমি বিশ্বাস কৰোঁ -

Small minds discuss people,
Mediocre minds discuss events,
and Great minds discuss ideas.

আলোচনীখনৰ প্ৰকাশৰ বিভিন্ন দিশত সহায় আগবঢ়োৱা সম্পাদনা সমিতিৰ ভিতৰৰ আৰু বাহিৰৰ সদৌটিলৈ কৃতজ্ঞতাৰে-

ডঃ জ্যোতিষ ভাগৱতী
তত্ত্বাৱধায়ক, টিহু মহাবিদ্যালয় আলোচনী
২০০১-২০০২

# আলোচনীৰ ভিতৰ চ'ৰাত


সম্পাদকীয়- ৯

**প্ৰবন্ধ**

- সমকালীন ভাৰতত উচ্চ শিক্ষাৰ সংকোচনঃ এক সামগ্ৰিক অপৰাধ -শশী শৰ্মা ১২
- প'টা আৰু ইয়াৰ প্ৰাসঙ্গিকতা - এটি আলোচনা। -প্ৰাঞ্জল কুমাৰ দাস- ১৫
- ভাৰতীয় বস্তুবাদ -কল্পনা চৌধুৰী ১৭
- বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱত অসমীয়া ভাষাৰ পৰিৱৰ্তনৰ বিচাৰ -লীনা চৌধুৰী ১৯
- হোলোগ্ৰাফী আৰু ইয়াৰ ব্যৱহাৰ -পুলিন চন্দ্ৰ দাস ২২
- বদনামী কবি গালিব -লক্ষীকান্ত বৈশ্য ২৪
- পোক পতঙ্গ খাব নেকি? -ধীৰাজ তালুকদাৰ ২৬
- ৰসৰ ভঁড়ালঃ ৰসৰাজ -কিশোৰ কুমাৰ কলিতা ৩০
- তেজস্বিনী চন্দ্ৰপ্ৰভা -হীৰামণি গোস্বামী ৩২
- কলেজীয়া জীৱন -বিনয় কলিতা ৩৪
- সহকৰ্মী বন্ধু ৺ৰমনীকান্ত তালুকদাৰৰ সোঁৱৰণত -ভবেশ চন্দ্ৰ দাস ৩৬
- বন্ধুৰ স্মৃতিত দুধাৰি অশ্ৰু -কৰবী কলিতা ৩৭

**গল্পঃ**

- ৰজনী গন্ধা -হেমেন ৰাজবংশী ৩৯
- প্ৰভাতী সুৰুযৰ আভা -গীতিকা দেৱী ৪২
- যাত্ৰা -স্মৃতিৰেখা শৰ্মা ৪৬
- আহত পক্ষীৰ বেদনা -আফতাব হুচেইন ৫০
- অঙ্কুৰ -মেঘালী ঠাকুৰীয়া ৫২
- এমুঠি এন্ধাৰ অভিলাস আৰু সি -ৰূপ ৰাজবংশী ৫৫
- বিস্ময় -ভনীতা হালৈ ৫৭
- অব্যক্ত বেদনা -ডলীমা পাঠক ৫৯
- তোমাৰ অপেক্ষাত -গিতুমনি দাস ৬০

**কবিতাঃ**

- এজাক হালধীয়া প্ৰেম আৰু টিহু কলেজ -দীপতৰা হালৈ ৬৩
- তুমি আহিবা নহয় ৰাধিকা -বাবুল ডেকা ৬৩
- নিঃ সংগতাবোধ -কিৰণ কলিতা ৬৪
- তাই যৌবনা হ'ল -বীনাপাণি কলিতা(পাঠক) ৬৪
- পিতাই -অৰূপ চৌধুৰী ৬৫
- স্পষ্টীকৰণ -দীপ মজুমদাৰ ৬৫
- স্বাগতম নবাগত -সঞ্জয় কলিতা ৬৬
- অনুভৱত মই, তুমি আৰু নিঃ সংগতা -হিৰেণ শৰ্মা ৬৭
- এটা আবতৰীয়া প্ৰেমৰ পদ্য -প্ৰণবজ্যোতি দাস ৬৭
- হালধীয়া ভালপোৱা তুমিলৈ -মৃন্ময় দাস ৬৮
- নমিতা মই তোমাৰ প্ৰেমিক চৰাই -জয়ন্ত ঠাকুৰীয়া ৬৮
- মোৰ অনুভুতিৰ এটি মাথো ক্ষণ -অমলপ্ৰভা কাকতি ৬৯
- তোমালৈ মনত পৰে। -ৰিংকু কলিতা ৬৯
- এগৰাকী বেশ্যাৰ কথাৰে। -কুশল হালৈ ৬৯
- হিয়া -কল্যাণ দাস ৭০
- কবিতাৰ শব্দ -চিন্তামনি দাস ৭০
- মা -ৰাতুল শৰ্মা ৭০
- এক আলোকন -মৌচুমী বৰুৱা ৭১
- আশা -ধীৰেণ শৰ্মা ৭১
- সেউজী -অৰূপ ঠাকুৰীয়া ৭২
- ছবি আকো দুৰ্বোদ্ধতাৰ -অৰুণদ্ধতী শৰ্মা ৭২
- ইতিহাস -চন্দ্ৰধৰ তালুকদাৰ ৭৩
- হৃদয়ৰ নষ্টালজিয়া -ধ্ৰুৱজ্যোতি ৰাজবংশী ৭৩
- এটি যাত্ৰাৰ অন্তত মা -ববিতা শৰ্মা ৭৪
- দাঁত -দিগন্ত কুমাৰ কলিতা ৭৪
- উপলব্ধি -নমিতা কলিতা ৭৫
- এগছি নিমাত চাকি -মৰমী ৰাজবংশী ৭৫
- এটা স্কেচ্ -পদুমী পাঠক ৭৫

**English Section**

The Subconscious And Formation of Habits -Mr. Biraj Singha ৭৭
Reaching Out: Philosophy in Verse -Gautam Goswami. ৭৮
THE OPENING UP OF THE INSURANCE SECTOR TO PRIVATE PLAYER: SOME DIFFERENT VIEWPOINTS -Dwipendra Nath Sarma. ৮১
Abuse of Drugs in Sports: Ashwini Pathak ৮৩
Air Pollution and Human Healt: Dulal Kr. Rajbongshi ৮৪
Earthen Pottery Industry Of Assam Jumi Das ৮৫

**Poetry Section**

Bohagi Spring Hues Dr. Saranga d Baral ৮৭
Shining Occasion in Assam Anindita Das ৮৮
The Plant of Death Bharati Chakravarty ৮৮

সহস্ৰজনে যাক লক্ষ্য কৰে ... ৮৯
২০০১-২০০২ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল ৯০
আলোচনী সম্পাদনা সমিতি, ২০০১-২০০২ ইং বৰ্ষ ৯১
প্ৰতিবেদন ৯২-১০২




## সম্পাদকীয়

<u>সাহিত্যঃ</u>- সাহিত্য আৰু সমাজৰ মাজত এক এৰিব নোৱাৰা সম্বন্ধ আছে। সাহিত্যই এটা জাতিৰ, এখন সমাজৰ, এটা অঞ্চলৰ গতিবিধি সলনি কৰিব পাৰে। তদ্ৰূপ টিহু মহাবিদ্যালয়ৰ আলোচনীখনেও টিহু অঞ্চলক প্ৰতিনিধিত্ব কৰে। টিহু মহাবিদ্যালয়ৰ ২০০১-২০০২ ইং বৰ্ষৰ আলোচনীখনে মহাবিদ্যালয়খনক কেনেভাবে প্ৰতিনিধিত্ব কৰিছে সেইটো পাঠক সমাজৰ বিচাৰ্য্য।

<u>সময়ঃ</u>- আজিৰ সময় দুঃসময়। মানৱতাই ফেঁকুৰিছে শ্মশানত। চৌদিশ কেৱল অন্যায়, অবিচাৰ, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, মিছা আৰু অসত্যৰ মায়া। আমি আজি নতুন বছৰটোক আদৰিছো মদ আৰু যুৱাৰে, পুৰণি বছৰটোক বিদায় দিছো এটা বীভৎস ৰাতিৰ দৰে। সম্প্ৰতি এয়েই হৈছে আমাৰ সভ্যতা। সভা-সমিতিত দীঘল বক্তব্য দিছোঁ, কিন্তু কাৰ্য্যত কি কৰিছোঁ সেইটোহে ভাবিবলগীয়া। আজিৰ একবিংশ শতিকাতো এচাম সৰু খাতি খোৱা মানুহৰ ওপৰত বলবৎ ৰাখিছে নিৰ্মম শোষণ, আনফালে চিঞৰিছে "We all are same " সম্প্ৰতি সামগ্ৰিকভাৱে এয়ে মানৱ মনৰ প্ৰকৃতি।

আমি সকলোৱে জানো যে আমি বৰ্তমান প্ৰগতিৰ পথত। তাহানিৰ সেই অন্ধবিশ্বাসৰ পৰিবৰ্তে আজি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। আগৰ তুলনাত আজিৰ এই মুহূৰ্তত শিক্ষিতৰ হাৰ অতুলনীয়ৰূপে বৃদ্ধি পাইছে। কিন্তু এনে এটা শুভ মুহূৰ্তত কিয় ভয়াবহ ৰূপে বৃদ্ধি পাইছে অসামাজিক কাৰ্য্যকলাপ? ভয়াবহভাবে বৃদ্ধি পোৱাটো যথেষ্ট উদ্বেগৰ কাৰণ। সামুহিক কল্যাণৰ বাবে শীঘ্ৰে ইয়াৰ অৱসান হোৱাটো নিত্যান্তই প্ৰয়োজন।

<u>মহাবিদ্যালয়ৰ কিছু অনুভৱঃ</u>- ১৯৬৩ চনতে স্থাপিত টিহু মহাবিদ্যালয়ৰ এটা ইতিহাস আছে। এই মহাবিদ্যালয়ৰ প্ৰতিখন বেৰ, প্ৰতিডৰা ঘাঁহনিত লুকাই আছে টিহু অঞ্চলৰ সীমাহীন ত্যাগ, অতুলনীয় শ্ৰম আৰু দান বৰঙণিৰ অজস্ৰ কাহিনী। এই ছেগতে মই জীৱিত অথবা মৃত সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ যিসকলৰ একান্ত কৰ্মস্পৃহাৰ ফলত আমাৰ মহাবিদ্যালয়খন আজিৰ অৱস্থাত অৱতীৰ্ণ হৈছে।

অভাৱৰ কোনো অন্ত নাই। আমাৰ মহাবিদ্যালয়ৰ প্ৰায়বোৰ বন্ধু- বান্ধৱীয়ে কৈ অহা দেখি আহিছোঁ যে আমাৰ মহাবিদ্যালয়ৰ একো নাই, আছে মাঁথো অভাৱ। কিন্তু আমাৰ প্ৰশ্ন হ'ল আমাৰ অভিভাৱক স্বৰূপ মহাবিদ্যালয় কৰ্তৃপক্ষই

আমাক যিখিনি দিছে সেইখিনি সৎ ব্যৱহাৰ কৰিছোনে? আচল অৰ্থত আমি সৎ ব্যৱহাৰ কৰা নাই। সেয়ে আমি প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰে মহাবিদ্যালয়ৰ প্ৰতি দায়িত্ববোধ থকাটো বাঞ্চনীয়।

মোৰ কাৰ্য্যকালত 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে সাহিত্য বিভাগৰ কেইবাটাও প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। শিক্ষাগুৰুসকলৰ একান্ত দয়া আৰু বন্ধু-বান্ধৱীসকলৰ পূৰ্ণ সহযোগত আলোচনী বিভাগৰ প্ৰতিযোগিতাসমূহ সুকলমে পৰিচালিত হয়। মোৰ কাৰ্যকালত শ্ৰেষ্ঠা সাহিত্যিকৰ বটাঁ লাভ কৰে ভাস্বতী লহকৰে। এটা কথা নকলে ভুল হব যে মোৰ কাৰ্যকালতে আলোচনী বিভাগৰ তৰফৰ পৰা কেবা বছৰো সুপ্ত হৈ থকা 'প্ৰাচীৰ পত্ৰিকা'খন নকৈ উন্মোচন কৰা হয়। আশা কৰোঁ আগন্তুক সম্পাদকসকলেও যাতে 'প্ৰাচীৰ পত্ৰিকা'খন সমৃদ্ধ ৰূপত প্ৰকাশ কৰাত গুৰুত্ব দিয়ে। ইয়াৰোপৰি এইবেলি মই 'তত্বাবধায়কৰ কলম' নামৰ এটি শিতান আলোচনীখনত নতুনকৈ সন্নিবিষ্ট কৰিছোঁ।এই শিতানত মাননীয় তত্বাবধায়ক ড° জ্যোতিষ ভাগৱতী ছাৰে একলম লিখি দিয়াৰ বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ। মহাবিদ্যালয়ৰ ত্ৰয়োবিংশতিতম্ সংকলনটি কেনেদৰে প্ৰকাশ হ'ল, আপোনালোকে দিয়া অলংকাৰ খিনি সঠিকভাৱে সজাই তুলিব পাৰিছো নে নাই সেইতো আপোনালোকৰ হাতত। আলোচনীখনৰ এই সংখ্যাটিত যিসকল লেখক-লেখিকাৰ লিখনি প্ৰকাশ কৰিব পৰা নগ'ল তেওঁলোকে নিৰুৎসাহী নহৈ পুনৰ আগ্ৰহেৰে সাহিত্য চৰ্চাত ব্ৰতী হওঁক।

কৃতজ্ঞতাঃ- পোনতে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো সেইসকল বন্ধু-বান্ধৱীলৈ যিসকলে মোক মহাবিদ্যালয়ৰ নিৰ্বাচনত জয়যুক্ত কৰি এই মহান দায়িত্ব গ্ৰহণ কৰাৰ সুবিধা দিলে। এই চেগতে মই কৃতজ্ঞতা নিবেদিছোঁ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত লোহিত তালুকদাৰ ছাৰক আৰু আলোচনীৰ তত্বাবধায়ক ড° জ্যোতিষ ভাগৱতী ছাৰক। লগতে মোৰ প্ৰতিটো কামতে মোৰ গাৰ ছাঁৰ দৰে লাগি থাকি বিভিন্ন দিহা পৰামৰ্শ দিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন তৰ্কবিভাগৰ সম্পাদক শ্ৰী সঞ্জয় কলিতাক মই এই চেগতে সুঁৱৰিছো। মোৰ সকলো কামতে উৎসাহ উদ্দীপনা আৰু প্ৰেৰণা দিয়া বন্ধু- বান্ধৱীসকল ক্ৰমে দিগন্ত, অৰূপ, পংকজ, ধীৰেণ, হৰেকৃষ্ণ, লংকেশ্বৰ, যুগলদা, গীতিকা, ভনীতা, নিলি, বিউটী, ববিতা, গীতু, ৰুমী, বৰষা, কবিতা, ৰুবী, পদুমী, নিৰ্মালী, কল্পনা বেজবৰুৱা, তৰালী দেৱী আৰু বিনুৰূপা দেৱীৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত আলোচনীখন সম্পাদনা কৰোতে অনিচ্ছাকৃতভাৱে হৈ যোৱা ত্ৰুটীৰ মাৰ্জনা বিচাৰিছোঁ আৰু মোৰ অতি আপোন 'টিহু মহাবিদ্যালয়ৰ' সৰ্বাঙ্গীন উন্নতি কামনা কৰি সম্পাদকীয় প্ৰতিবেদনৰ ইতিৰেখা টানিছোঁ।

*দিগন্ত কুমাৰ কলিতা*

সম্পাদক

।। জয়তু টিহু মহাবিদ্যালয় ।।


১০-০৭-২০০৩

**——————**

**————**



# প্ৰবন্ধ



প্ৰবন্ধ হ'ল-
পৰিপক্ক অভিজ্ঞতা আৰু পাণ্ডিত্যৰ নিবিড় সমন্বয়। য'ত বিষয় বস্তুৰ গভীৰতা বিশ্লেষণাত্মকভাৱে অধ্যয়ন কৰা হয়।

## ...ক্ষাৰ সংকোচন ঃ এক

শশী শৰ্মা
বিশিষ্ট সাহিত্যিক

গঢ়া শিক্ষা, ভাৰতীয় সকলক মনুষ্যত্ববোধ সম্পন্ন স্বাধীন আৰু সৎ মানুহৰূপে গঢ়ি তোলাৰ আদৰ্শ ইংৰাজ প্ৰশাসনৰ নাছিল। শিক্ষাৰ দুৱাৰ সকলোৰে কাৰণে মুকলিও নাছিল। শিক্ষা-পদ্ধতিটোৰ নামেই আছিল চেকন (Filtration) পদ্ধতি ;ওপৰৰ শ্ৰেণীৰ পৰা ক্ৰমে তলৰ শ্ৰেণীলৈ সম্প্ৰসাৰিত কৰা। সিয়েই স্পষ্ট কৰি দিয়ে যে ইংৰাজে প্ৰৱৰ্তন কৰা শিক্ষা আছিল শ্ৰেণীসমাজৰ ধাৰক আৰু বাহক। অৱশ্যে এই কথাও সত্য যে বৰ্ণবাদী ভাৰতেও উচ্চবৰ্ণৰ মাজতে শিক্ষাক আৱদ্ধ কৰি ৰাখিছিল, নানা শ্ৰমৰ মাজত পোত গৈ থকা শ্ৰমকাৰী মানুহক শিক্ষাৰ অধিকাৰ দিয়া নাছিল আৰু সি মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ দিনৰে পৰাই সত্য আছিল। ৰামায়ণৰ শম্বুক বধ আৰু মহাভাৰতৰ একলব্যৰ আঙুলি ছেদ তাৰ জ্বলন্ত নিদৰ্শন। বাস্তৱ আৰু ঐতিহাসিক অভিজ্ঞতাই মহাত্মা গান্ধীক সত্য-সমতা-অহিংসা- প্ৰেমৰ ভিত্তিত নতুন ভাৰতবৰ্ষ গঢ়ি তোলাৰ অৰ্থে বুনিয়াদী শিক্ষা-ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। বুনিয়াদ ভেটি, জীৱনৰ ভেটি আৰু বুনিয়াদী হ'ল শক্তিশালী ভেটি। জীৱনক সুন্দৰ, সুঠাম আৰু শক্তিশালী কৰি তুলিব পাৰে শ্ৰমে। তেওঁ ইয়াকো স্পষ্টভাৱে অনুভৱ কৰিব পাৰিছিল যে জীৱনৰ শৈশৱকালছোৱাও জীৱনৰ মূল ভেটি। শৈশৱত জীৱনে যি গঢ় লয়, বয়সত সতকাই তাৰ ৰূপান্তৰ সাধা টান। ই মনোবিজ্ঞান সমৰ্থিত সত্য। সেয়ে গান্ধীজীয়ে শিশুৰ শৈশৱৰ ভেটি সুদৃঢ় কৰি তোলাৰ অৰ্থে শ্ৰমভিত্তিক বুনিয়াদী শিক্ষা প্ৰবৰ্তনত গুৰুত্ব আৰোপ কৰিছিল। সি আছিল বাধ্যতামূলক। তাক ৰজাৰ ল'ৰা, মন্ত্ৰীৰ ল'ৰা, হৰিজনৰ ল'ৰা প্ৰভৃতি সকলোৰে একেলেগে একে অনুষ্ঠানতে পঢ়িব লাগিব। গান্ধীজীৰ দৃঢ় বিশ্বাস আছিল যে সিয়েই শ্ৰম ভিত্তিক শ্ৰেণীহীন বিভেদহীন নতুন ভাৰত গঢ়াত অনুপম সঁহাৰি যোগাব। তেওঁ মাধ্যমিক আৰু বিশ্ববিদ্যালয় স্তৰতো

শ্ৰমভিত্তিক কাৰিকৰী বিদ্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ পাহৰা নাছিল। তেওঁৰ স্পষ্ট উপলব্ধি আছিল যে শিক্ষিত মানুহ মাত্ৰেই নিজক ব্যক্তিগত জীৱন আৰু সমাজ জীৱনৰ উপযোগীকৈ গঢ়ি তুলিব পাৰিব লাগিব। শিক্ষাই শ্ৰেণী বৈষম্য আঁতৰালে আৰু শিক্ষাই মানুহক স্বাৱলম্বী অৰ্থাৎ জীৱনৰ কাৰণে উপযোগীকৈও গঢ়ি তুলিলে সমাজৰ পৰা নিবনুৱা সমস্যা লোপ পাব, বৈষম্য আঁতৰিলে ঈৰ্ষা অসূয়া,হিংসা- ঘৃণা বিদ্ৰোহ-বিপ্লৱ আদিও ক্ৰমে লোপ পাব। অৰ্থাৎ গান্ধীৰ ৰূপান্তৰ হব পাৰে, সেই বৈপ্লৱিক পৰিকল্পনা অনুসৰি, শিক্ষাৰ মাধ্যমত সমাজত এক বৈপ্লৱিক ৰূপান্তৰকে কোৱা হয় আমূল পৰিবৰ্তন। কিন্তু ইংৰাজ শাসনৰ অৱসানৰ পাঁচমাহ পাছতেই হিন্দুত্ববাদী প্ৰতিক্ৰিয়াশীল নাথুৰাম বিনায়ক গড়্‌ছে গান্ধীজীক হত্যা কৰাৰ পিছত ভাৰত চৰকাৰে, কম সময়ৰ পাছতেই, বুনিয়াদী শিক্ষাক ধোঁৱা চাঙত তুলি থলে; শিক্ষাৰ মাধ্যমত সামাজিক ৰূপান্তৰ সাধনৰ লক্ষ্য তিৰোহিত হ'ল। ভাৰতবৰ্ষৰ, আৰু বিশেষকৈ অসমৰ, শিক্ষাই জীৱনমুখিতাৰ আদৰ্শ হেৰুৱাইপেলাই, কেৱল যেন উপাধি লাভেৰে চাকৰিমুখী হ'বলৈহে শিকাইছে। উপাধি লাভ কৰা শিক্ষিত মানুহৰ অনুপাতে কৰ্মসংস্থান অৰ্থাৎ চাকৰি নথকা হেতুকে নিবনুৱা সমস্যাই জুমুৰি দি ধৰা সম্ভৱপৰ হৈছে। এই নিবনুৱা সমস্যাই হ'ল বিদ্ৰোহ- বিপ্লৱ, হত্যা সন্ত্ৰাসকে ধৰি সকলোবোৰ অসামাজিক ক্ৰিয়া কাণ্ডৰ মূল হেতু।

মানৱ সম্পদৰ সদৃশ মূল্যৱান সম্পদ এই জগতত আৰু আন একো নাই। কাৰণ মহাপ্ৰকৃতি ভিন্ন চকুৰে দেখা আৰু কাণেৰে শুনা সকলো সম্পদ মানুহৰ মূৰ আৰু হাতৰেই সৃষ্টি। এই মানুহৰ মূৰে চিন্তা আৰু সৃষ্টি কৰাৰ অনুকূল পৰিৱেশ লাভ কৰিলে যে মানুহে কি অসাধ্যই সাধন নকৰে, তাক মানৱ জাতিৰ ক্ৰমবিকাশৰ ইতিহাসে ৰিঙিয়াই কৈ আহিছে। কোনো মনুষ্যত্ববোধ সম্পন্ন বিৱেকী মানুহেই নাভাৱে যে মানুহে কেৱল একোখন মুখ আৰু একোটা পেট লৈহে ওপজে; মানুহে একো একোটা মূৰ আৰু দুখনকৈ হাতৰ সৈতেও ওপজে। মহাত্মা গান্ধীয়ে এই মহাসত্য মৰ্মে মৰ্মে উপলব্ধি কৰিছিল কাৰণেই গুৰুত্ব আৰোপ কৰিছিল বুনিয়াদী শিক্ষা প্ৰবৰ্তনত। তেওঁ যেন প্ৰকৃত মনোবিজ্ঞানীৰ দৃষ্টিৰেই অনুভৱ কৰিবলৈ সমৰ্থ হৈছিল যে শ্ৰমৰ মাজেদিহে মানুহৰ মগজু বা মূৰৰ উদ্ভাৱিকা শক্তিৰ বিকাশ ঘটে।সমকালীন পৃথিৱীৰ যিবোৰ দেশত শিক্ষাৰ মাধ্যমত হাত আৰু মুৰৰ সমানুপাতিক বিকাশ সাধনত যথোচিতভাবে গুৰুত্ব আৰোপ কৰিছে, সিবোৰ দেশেহে চমকপ্ৰদভাৱে বিকাশৰ পথত অগ্ৰগতি লাভ কৰিব পাৰিছে। জাপান এখন ক্ষুদ্ৰ দ্বীপ ৰাষ্ট্ৰ। কিন্তু নিচেই শৈশৱৰ পৰা তাত শিক্ষাৰ মাধ্যমত হাত আৰু মূৰৰ সমানুপাতিক বিকাশ সাধন সম্ভৱপৰ কৰি তোলা কাৰণে বিশ্বৰ বুকুত চমক লগাবলৈ সমৰ্থ হৈছে। লোকচীনৰ জনসংখ্যা এশ ত্ৰিশ কোটিৰো অধিক। কিন্তু মাও-জে-ডঙৰ সাংস্কৃতিক বিপ্লৱৰ কালৰ পৰা গান্ধীয়ান শিক্ষা নীতি সাৰ্থকভাবে প্ৰচলন কৰা কাৰণে, সম্প্ৰতি লোকচীন সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ দিবলৈ সমৰ্থ হৈছে। জন্ম নিয়ন্ত্ৰণত যেনেকৈ গুৰুত্ব আৰোপ কৰিছে, তেনেদৰে প্ৰতিগৰাকী নাগৰিকক সু-বিকশিত ৰূপে গঢ়ি তোলাতো সমানেই গুৰুত্ব আৰোপ কৰিছে।

কিন্তু প্ৰায় এশ তিনিকোটি মানুহৰ দেশ ভাৰত আৰু প্ৰায় তিনিকোটি মানুহৰ দেশ অসমত কি ঘটিছে? ১৯৮৫ চনতে গ্ৰহণ কৰা ভাৰত চৰকাৰৰ শিক্ষা-নীতিৰ কথালৈ চিন্তা কৰক। মাধ্যমিক স্তৰত গুৰুত্ব আৰোপ কৰি উচ্চ শিক্ষা সংকোচন কৰিব বিচৰা হ'ল; তদুপৰি শিক্ষাক ক্ৰমে ব্যক্তিগত খণ্ডলৈ ঠেলিলে। মাধ্যমিক শিক্ষাক কাগজৰ পাতত গুৰুত্ব প্ৰদান কৰিলে, বাস্তৱততো একোৱেই কৰা নহ'ল। চৰকাৰী ঘোষণাৰ ফলত উচ্চতৰ মাধ্যমিক স্তৰৰ যিবোৰ কণিষ্ঠ মহাবিদ্যালয় ৰাজহুৱা চেষ্টাত গঢ় লৈ উঠিল, সিবোৰত দেখোঁ সামান্যতমভাৱেও অভিনৱত্বৰ পৰশ নপৰিল, তাৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে বিনা মাননীয়ে প্ৰদান কৰি থাকিল গতানুগতিভাৱে পাঠ। কৰ্মেৰে- হাতৰ শ্ৰমেৰে অভিজ্ঞ কৰি তোলাৰ ওপৰততো সমূলি গুৰুত্ব দিয়া নহ'ল। সামান্য অন্ধলায়ো অনুভৱ কৰে যে প্ৰথমিক স্তৰৰে পৰা শিশুক কৰ্ম-সংস্কৃতিৰ প্ৰতি আগ্ৰহী কৰি তুলিব নোৱাৰিলে, মাধ্যমিক স্তৰত কৰ্ম-সংস্কৃতিৰ প্ৰতি আগ্ৰহী কৰি তুলিব বিচাৰিলেও সফল হোৱাৰ আশা ক্ষীণ। অথচ দেশৰ প্ৰশাসক সকলে প্ৰাথমিক শিক্ষাৰ ৰূপান্তৰ সাধনত কোনো কাৰ্যকৰী ব্যৱস্থা হাতত লোৱা নাই। কেৱল ভগা-চিগা উৰুখা ঘৰৰ ছালিৰ তলত দেশৰ ভৱিষ্যত সকলক আখৰ লেখিবলৈ আৰু পাঠ আওৰোৱা ভাটৌ কৰি তোলাৰ ব্যৱস্থা চলিছে। একে ভাটৌ পণ্ডিত কৰা হৈছে মাধ্যমিক স্তৰৰ কিশোৰ-কিশোৰীহঁতকো। মাধ্যমিক স্তৰৰ শিক্ষাৰ অন্তত কিশোৰ-কিশোৰহঁততো কোনো পধ্যেও স্বাৱলম্বী হ'ব পৰা নাই, হাতে-কামে সিহঁতক প্ৰায়একোৱেই শিকোৱা নহয়। ই নগ্ন বাস্তৱ। সিহঁতৰ কাৰণে কৰ্মসংস্থান নাই;কৰ্মেৰে- শ্ৰমেৰে সিহঁতক অভিজ্ঞ আৰু স্বাৱলম্বনৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ কোনো ব্যৱস্থাই নাই। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা অনুষ্ঠানৰ লগত ক'তো কৰ্মশালা বা কৰ্মক্ষেত্ৰ নিৰ্মাণ হোৱা নাই। আনকি শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰবোৰতো কৰ্মশালা দেখা পোৱা নাযায়। নতুন শিক্ষানীতিৰ আওঁতাত 'ডায়েট' নামে যিবোৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ গঢ়া হৈছে সিবোৰত কিবা ৰূপান্তৰ পৰিলক্ষিত হৈছেনে? কেৱল নিষ্ঠাহীনতা, কেৱল গতানুগতিকতা, কেৱল ভেকোঁ ভাওনা। মনুষ্যত্ববোধ সম্পন্ন স্বাধীন-স্বাৱলম্বী মানুহ গঢ়াৰ আন্তৰিকতাপূৰ্ণ চেষ্টা আমাৰ দেশত পৰিলক্ষিত হোৱা নাই। চূড়ান্ত অৱমাননা কৰা হৈছে মানুহক। এই দেশত ধনহীন, পদমৰ্য্যদাহীন মানুহৰ জীৱন ভাগ্যৱানসকলৰ কুকুৰ-মেকুৰীতকৈও হীন।

চিন্তাশীল মানুহ মাত্ৰেই আন্তৰিকতাৰে অনুভৱ কৰে যে নিচেই তলৰ পৰা শিশুহঁতৰ হাত আৰু মূৰৰ সমানুপাতিক বিকাশ সাধনৰ যথোপযুক্ত ব্যবস্থা কৰিব পাৰিলে অৱলীলাক্ৰমেই মানুহৰ জীৱনৰ মৰ্য্যদা বাঢ়িব। সেই মৰ্য্যদা সম্পন্ন মানুহ সমাজৰ মহাভাৰৰ সলনি হ'ব গৌৰৱ আৰু আনন্দৰ কাৰণ, সমাজৰ নৱৰূপদাতা।সেই মানুহ শোষক নিৰ্য্যাতক মানুহ নহ'ব, হ'ব নিৰ্মাতা মানুহ। তেওঁলোকে মহাপ্ৰকৃতিৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠা কৰি প্ৰকৃতিৰ সম্পদৰ ভেটিত গঢ়ি তুলিব নিত্য নতুন উদ্দ্যোগ, নিত্য নতুন কৰ্মসংস্থান। সেই মানুহে কৰ্মসংস্থান বিচাৰি কেতবোৰ অমানুহৰ হাতত লাঞ্চিত, বঞ্চিত, অপমানিত আৰু সৰ্বস্বান্ত হোৱাৰ প্ৰশ্নই উদয় নহ'ব। তাত বিৰাজ কৰিব শান্তিপূৰ্ণ গণতান্তিক সহ অৱস্থানৰ পৰম আনন্দমুখৰ পৰিবেশ। কিন্তু সেই পৰিবেশ সৃষ্টি কৰিবলৈ হ'লে নিচেই শৈশৱ তথা প্ৰাক্- প্ৰাথমিক স্তৰৰ পৰা শ্ৰমৰ প্ৰতি, শ্ৰমৰ মৰ্যদাৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব। প্ৰতিটো শিক্ষা অনুষ্ঠানৰ লগত নিহিত থাকিব লাগিব কৰ্মশালা-কৰ্মক্ষেত্ৰ। স্তৰে স্তৰে কৰ্মশালা সুবিস্তৃত কৰি তুলিব লাগিব। কৰ্মশালাৰ মাধ্যমত মানৱীয় সৃজন আৰু উদ্ভাৱিকা শক্তিৰ বিকাশ সাধনত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব লাগিব। ছাত্ৰ ছাত্ৰীক পাঠ মুখস্থ কৰা ভাটৌ পণ্ডিতৰ সলনি সৃজনী শক্তিৰে উদ্দীপ্ত সৎ আৰু নিষ্ঠাবান গণতান্ত্ৰিক ব্যক্তিৰূপে গঢ়িতোলাৰ ব্যৱস্থা কৰিব লাগিব, প্ৰস্তাৱেৰে নহয়, কামেৰে, বাস্তৱ আৰ্হিৰে। আত্মমৰ্য্যদাসম্পন্ন সেই ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ অনুষ্ঠানলৈ গৈ ভিৰ কৰাৰ পৰা বিৰত থাকিব। উচ্চ শিক্ষা সংকোচনৰ কাৰণে চৰকাৰে আইন ৰচনা কৰাৰ কোনো প্ৰয়োজনেই নহ'ব।

কিন্তু দুৰ্ভাগ্যৰ বিষয় যে গণতান্ত্ৰিক ভাৰতৰ লগতে অসম চৰকাৰ নাচিছে ওভতগোৰে। দুৰ্নীতিৰ গেলা পচা প্ৰৱাহত আকণ্ঠ বুৰ গৈ থকা চৰম অগণতান্ত্ৰিক চৰকাৰ, তেওঁলোকৰ শিক্ষা বিভাগ আৰু শিক্ষা উপদেষ্টা সকলেও মানসিক সুস্থিৰতা হেৰুৱাইছে। আনকি অভিজ্ঞ সকলে দৃঢ়তাৰে ঘোষণা কৰিছে যে শিক্ষাৰ আমূল পৰিবৰ্তন সাধনেৰে এখন প্ৰকৃত স্বাধীন, স্বাৱলম্বী, সু-সংস্কৃত সমাজ গঢ়াৰ মানসিকতাই তেওঁলোকৰ নাই। ভূৱা প্ৰৱঞ্চনাৰে গাদী ৰক্ষা,দেশৰ ভঁৰালৰ ধন লুণ্ঠন কৰা আৰু নিজকে সৎ পুৰুষলৈ মহাধন্য ৰূপে গঢ়িতোলাই যেন সেই নেতৃমণ্ডলীৰ জীৱনৰ একান্ত ধাউতি।

এই ক্ষুদ্ৰ আলোচনাৰ পৰিধিত বহু কথাৰ অৱতাৰণা কৰাৰ অৱকাশ নাই। কিন্তু আমাৰ স্পষ্ট অভিমত যে নিচেই তলৰ পৰা শিক্ষাৰ আমূল পৰিবৰ্তন সাধন বিনে উচ্চ-শিক্ষাৰ সংকোচনৰ প্ৰস্তাৱ এক অক্ষমনীয় সামাজিক অপৰাধ। দেশখন চৰকাৰৰ বা এমুঠি নেতা-নেত্ৰীৰ নহয়, দেশখন দেশৰ জনগণৰ। এদিন সংঘবদ্ধভাৱে সংগ্ৰাম কৰি জনগণেই সাম্ৰাজ্যবাদী শাসনৰ অৱসান ঘটাইছিল। আজি এখন প্ৰকৃত অৰ্থত স্বাধীন দেশৰূপে গঢ়ি তোলাৰ অৰ্থেও দেশৰ জনগণ সংঘবদ্ধ হ'ব লাগিব শিক্ষাৰ যথাৰ্থ আমূল পৰিবৰ্তনৰ কাৰণে। ব্যক্তিগত শিক্ষা অনুষ্ঠান আদিৰ সম্পূৰ্ণ ৰূপে বিলোপ সাধন কৰি ৰাষ্ট্ৰ ৰাজ্যৰ আওঁতাত দেশৰ মানুহ মাত্ৰকে সকলো প্ৰকাৰৰ সংস্কাৰ মুক্ত, স্বাধীন, স্বাবলম্বী মানুহ ৰূপে গঢ়াৰ ব্যৱস্থা কৰিবই লাগিব। শিক্ষাৰ আমূল পৰিবৰ্তন বিনে আমাৰ প্ৰকৃত অৰ্থত মানৱীয় বিকাশ কেৱল আকাশ কুসুম। শিক্ষাৰ আমুল পৰিবৰ্তনৰ কাৰণে, আৱশ্যকবোধে,ৰাষ্ট্ৰ বিপ্লৱ গঢ়ি তোলাৰো হয়তো প্ৰয়োজন হ'ব।